Total No. of Printed Pages—4

**2 SEM TDC ASMH (CBCS) C 4**

**2023**

( May/June )

ASSAMESE

( Core )

Paper : C–4

( সাহিত্যতত্ত্ব )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। নির্দেশ অনুযায়ী উত্তৰ কৰাঁ : ১×৮=৮

(ক) 'ৰীতিৰাত্মা কাব্যস্য' সংজ্ঞাটো কোনে আগবঢ়াইছিল ?

(খ) 'সাহিত্যৰ বাদবৈচিত্ৰ্য' গ্ৰন্থখনৰ লেখক কোন ?

(গ) 'বাস্তৱবাদ'ৰ ইংৰাজী প্ৰতিশব্দ কি ?

(ঘ) ৰহস্যবাদী এজন অসমীয়া কবিৰ নাম উল্লেখ কৰাঁ।

(ঙ) ব্যঞ্জনাৰ প্ৰকাৰ দুটা যথাক্ৰমে অভিধামূলা ব্যঞ্জনা আৰু ______ ব্যঞ্জনা।

( খালী ঠাই পূৰণ কৰাঁ )

(চ) শ্লেষ _____ অলংকাৰৰ এটা প্ৰকাৰ।

( খালী ঠাই পূৰণ কৰা )

(ছ) কেলৈ লাগিছে সেন্দুৰীয়া গাল
ফৰিং প্ৰেমিকৰ জুই ?
কোৱাভাতুৰীয়া ওঁঠৰ তলত
ফেঁটিসাপ আছে শুই।

উক্ত স্তৱকটোত প্ৰয়োগ হোৱা অৰ্থালংকাৰবিধ হৈছে ব্যাজস্তুতি / নিদৰ্শনা / অতিশয়োক্তি।

( শুদ্ধ উত্তৰ নিৰ্ণয় কৰা )

(জ) বিহুগীতত সচৰাচৰ কোনবিধ ছন্দসজ্জাৰ ব্যৱহাৰ পোৱা যায় ?

২। (ক) কাব্যত ৰসসৃষ্টিৰ প্ৰয়োজনীয়তা বিচাৰ কৰা। স্থায়ীভাৱৰ পৰা ৰস কিদৰে নিষ্পত্তি হয়, আলোচনা কৰা। ৪+১০=১৪

*অথবা*

(খ) চমু টোকা লিখা (যি কোনো দুটা) : ৭×২=১৪

(১) শব্দশক্তিৰ প্ৰকাৰভেদ

(২) কাব্যৰ ৰীতি

(৩) বক্ৰোক্তি





৩। (ক) ধ্ৰুৱবাদ কি? ধ্ৰুৱবাদৰ বৈশিষ্ট্যসমূহ আলোচনা কৰি ৰহস্যবাদ নতুবা ৰমণ্যাসবাদৰ লগত ইয়াৰ পাৰ্থক্য নিৰ্ণয় কৰা। ২+৬+৬=১৪

*অথবা*

(খ) বাস্তৱবাদ নতুবা আধুনিকতাবাদৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি টোকা প্ৰস্তুত কৰা। ১৪

৪। (ক) অৰ্থালংকাৰ বুলিলে কি বুজা? যি কোনো চাৰিটা অৰ্থালংকাৰৰ বিষয়ে চমুকৈ আলোচনা আগবঢ়োৱা। ৩+১২=১৫

*অথবা*

(খ) উদাহৰণসহ ব্যাখ্যা কৰা (যি কোনো তিনিটা) : ৫×৩=১৫

(১) নিদৰ্শনা

(২) ৰূপক

(৩) ব্যাজস্তুতি

(৪) যমক

৫। (ক) 'অসমীয়া ছন্দৰীতি' বিষয়ক এটি প্ৰবন্ধ যুগুত কৰা। ১৪

*অথবা*

(খ) ছন্দৰ উপাদানসমূহৰ বিষয়ে বহলাই আলোচনা কৰা।

৬। চমু টোকা লিখাঁ (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) অপ্রস্তুত প্রশংসা

(খ) অমিতাক্ষৰ ছন্দ

(গ) লেছাৰি ছন্দ

(ঘ) স্তৱক

(ঙ) দুলড়ী ছন্দ

* * *